**দিনাংক -১৭ জানুৱাৰী ২০১৪**

## কংগ্ৰেছে ৰাহুলৰ ওপৰত লেহেমীয়া গতি বিকশিত কৰিছে

**অৰুণ জেটলী**

**ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা**

কংগ্ৰেছ দ'লে প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী নলব'লৈ সিদ্ধান্ত গ্ৰহণ কৰিছে । ইয়াৰ পৰিবৰ্ত্তে শ্ৰীযুত ৰাহুল গান্ধীয়ে প্ৰচাৰ অভিযানৰ নেতৃত্ব ল'ব । দ'লৰ ৰাজবংশীয় শাসন এতিয়া পুনৰ হ্ৰাস হোৱা পৰিলক্ষিত হৈছে । এই ২৫ বছৰত দেশৰ প্ৰধানমন্ত্ৰীৰূপে কোনো গান্ধীক দেখা পোৱা নাই যোৱা । ভাৰতবৰ্ষৰ লাহে লাহে পৰিবৰ্ত্তন হৈছে । গান্ধী পৰিয়ালে দ'লকহে নিয়ন্ত্ৰণ কৰিব পাৰে দেশক নহয় । ২০০৪ চনত যি ভয় সোমাইছিল, তেতিয়াই ৰাজবংশীয় নিয়ন্ত্ৰণ এৰ খাই গৈছিল । ইয়াৰ ফলত সকলোৰে সন্মূখতে আশা-ভৰষাৰ পৰাজয় হ'বলৈ ল'লে যাৰ বাবে ২০১৪ ৰ বাবে প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী হিচাপে ৰাহুল গান্ধীক ঘোষণা কৰিব পৰা নগ'ল ।

এইয়া আচলতে মূলতে ইচ্ছাকৃত নাছিল । ২০১৩ চনৰ ডিচেম্বৰ মাহত শ্ৰীমতী চোনীয়া গান্ধীয়ে ঘোষণা কৰিছিল যে প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী উচিত সময়ত ঘোষণা কৰা হ'ব । কিছুদিন পূৰ্বে হৈ যোৱা সংবাদ মেলত, প্ৰধানমন্ত্ৰী ডঃ মনমোহন সিঙে প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থীত্বৰ বাবে শ্ৰীযুত ৰাহুল গান্ধীৰ নাম সমৰ্থন কৰিছিল । তেনেক্ষেত্ৰত দ'লে লেহেমীয়া গতিৰে কিয় বিকশিত হৈছে ? কংগ্ৰেছে যুজঁ দিয়াৰ ইচ্ছাশক্তি হেৰুৱাই পেলাইছে । ইয়াৰ প্ৰথম দৰ্শন দিল্লীৰ এচেম্বলী নিৰ্বাচনত দেখা পোৱা গৈছিল । এজন দৰিদ্ৰ লোক শ্ৰীযুত ৰাহুল গান্ধীৰ সভাত ভাগ লৈছিল আৰু কোনো ৰাষ্ট্ৰীয় নেতাই দিল্লীত ইয়াৰ পাছত সভা সম্বোধন কৰিব'লৈ অহা নাছিল । বৰ্ত্তমান অৱস্থাত ভয় ভাৱৰ উঠা-নমা হৈ আছে । কিয় এই দুৰ্ভগীয়া ৰাজনৈতিক পৰিস্থিতিত তোমাৰ একমাত্ৰ কাৰ্ডখনত ফুটা উলিয়াইছা । এনে দূৰ্ভাগ্যৰ যুজঁ এৰি দিব লাগে । যেতিয়া জনমতেই নৰেন্দ্ৰ মোডীৰ সৈতে এক বৃহৎ পাৰ্থক্যৰ সৃষ্টি কৰিছে তেনেক্ষেত্ৰত তেওঁৰ সৈতে তুলনা কৰি কিয় নিজে ডুবিব বিচৰিছে । দেৰিকৈ উপলব্ধি কৰাটো কংগ্ৰেছৰ পৰিচিত স্বভাৰ । যদিহে চৰকাৰ গঠন কৰাৰ কোনো আশাই নাই তেনে

অৱস্থাত শ্ৰীযুত ৰাহুল গান্ধীৰ নামটো প্ৰধানমন্ত্ৰীৰ পদৰ প্ৰৰ্থীৰ বাবে ঘোষণা কৰাৰ অৰ্থ ক'ত ?

এজন প্ৰধানমন্ত্ৰীৰ সাহসিক দক্ষতা থাকিব লগিব । তেওঁ ভাবিছে যে ২০১৪ চনত ৰাহুল গান্ধীৰ বিজয় হ'ব । সচাঁকৈয়ে পৰাজয় তেওঁৰ ফালে গতি কৰিবনে । মোৰ সন্দেহ আছে । কংগ্ৰেছ দ'লৰ এটি অনুষ্ঠানত প্ৰতিশ্ৰুতি দিছিল যে গান্ধীয়ে কেতিয়াও ভুল নকৰে । তেওঁলোক কেতিয়াও অসফল নহয় । এইটোৱেই সেইটো পাৰ্টি যি অসফল হৈছে । এইয়া হৈছে সেইসকল পৰামৰ্শদাতা যি ভুল পৰামৰ্শ অগবঢ়াইছে । দ'লত গান্ধীৰ কোনো দায়িত্বশীলতাই নাই । এই সকলোবোৰৰ পাছতু তেওঁলোক এটি পাৰ্টি ।